ভাৰতৰ কেন্দ্ৰীয় চৰকাৰ

-বনাম-

মোহন সিং আৰু অন্যান্য

**৯ ছেপ্তেম্বৰ, ১৯৯৬**

[ন্যায়াধীশ কে. ৰামস্বামী আৰু ন্যায়াধীশ জি. বি. পাটনায়ক]

(দেৱানী আপীল নং ১২৩১৪ চন ১৯৯৬)

*স্বাধীনতা সংগ্ৰামীৰ পেঞ্চন আঁচনি*

*পেঞ্চনৰ দাবী- সমৰ্থনত প্ৰাথমিক প্ৰমাণ- দাবীদাৰসকলে ছয় মাহ কাৰাদণ্ড ভোগ কৰাৰ এজন বিধায়ক আৰু সহ-পেঙ্গনাৰে দিয়া প্ৰমাণপত্ৰ - চৰকাৰৰ দ্বাৰা বিবেচনা কৰা- দাবীদাৰসকল স্বাধীনতা সংগ্ৰামী নহয় বুলি গম পোৱা গৈছে- উচ্চ ন্যায়ালয়ে দাবী কৰিছিল যে দাবীদাৰসকলে দাখিল কৰা প্ৰমাণৰ প্ৰতি লক্ষ্য ৰাখি তেওঁলোকক স্বাধীনতা সংগ্ৰামী বুলি ঘোষণা কৰা উচিত- আপীল দাখিল কৰাত বিচাৰ কৰা হয় যে চৰকাৰে ইতিমধ্যে নথিপত্ৰসমূহ বিবেচনা কৰিছিল আৰু এই সিদ্ধান্তত উপনীত হৈছিল যে এই নথিপত্ৰসমূহ উত্তৰদাতাসকলে কাৰাবাস ভোগ কৰিছিল বুলি প্ৰমাণ কৰিবলৈ পৰ্যাপ্ত নাছিল- উচ্চ ন্যায়ালয়ে এই সন্দৰ্ভত থকা সাক্ষ্য বিবেচনা কৰাৰ ইচ্ছুক নাছিল কাৰণ সেইটো চৰকাৰে কৰিবলগীয়া আছিল।*

*মুকুন্দ লাল ভাণ্ডাৰী আৰু অন্যান্য বনাম ভাৰত চৰকাৰ আৰু অন্যান্য* গোচৰত দিয়া ৰায়ৰ [1993]Supp. 3 SCC 2, *ওপৰত আস্থা প্ৰকট কৰিছিল।*

**দেৱানী আপীল ক্ষেত্ৰাধিকাৰ:** দেৱানী আপীল নং ১২৩১৪ চন ১৯৯৬ ।

দেৱানী লেখ আৱেদন নং ৩৭৯০ চন ১৯৯৪ অত পঞ্জাৱ আৰু হাৰিয়ানা উচ্চ ন্যায়ালয়ে ১ জুন ১৯৯৫ তাৰিখে প্ৰদান কৰা ৰায় আৰু আদেশৰ পৰা উদ্ভৱ হোৱা।

আবেদনকাৰীৰ অধিবক্তা- এন. এন. গোস্বামী, হেমন্ত শৰ্মা আৰু পি. পৰমেশ্বৰন।

উত্তৰদাতাসকলৰ অধিবক্তা- এম. পি. ঝা, সঞ্জীৱ ৱালিয়া, এ. কে. চোপ্ৰা, অনিল মিত্তাল আৰু মনোজ স্বৰুপ।

আদালতে নিম্নলিখিত আদেশ প্ৰদান কৰে:

অনুমতি দিয়া হল।

আমি দুয়ো পক্ষৰ পৰা বিদ্বান অধিবক্তাৰ যুক্তি শুনিছো।

১৯৯৪ চনৰ ৩৭৯০ নং দেৱানী লেখ আবেদনত পঞ্জাৱ আৰু হাৰিয়ানা উচ্চ ন্যায়ালয়ে ১৯৯৫ চনৰ ১ জুন তাৰিখে দিয়া ৰায় আৰু আদেশৰ বিৰুদ্ধে বিশেষ অনুমতিৰ দ্বাৰা এই আপীল দাখিল কৰা হৈছে । স্বাধীনতা সংগ্ৰামী বুলি দাবী কৰা প্ৰথমজন উত্তৰদাতাই ১৯৭২ চনৰ ১ আগষ্টত ভাৰত চৰকাৰে প্ৰস্তুত কৰা স্বাধীনতা সংগ্ৰামীৰ পেঞ্চন আঁচনিৰ অধীনত পেঞ্চনৰ বাবে আবেদন জনাইছিল। ছয় মাহ ধৰি কাৰাবাস ভোগ কৰাৰ সমৰ্থনৰ প্ৰাথমিক প্ৰমাণ হিচাপে এজন বিধায়ক তথা সহ-কয়দীয়ে দিয়া প্ৰমাণপত্ৰ দাখিল কৰা হৈছে। পূৰ্বৰ এখন লেখ আবেদনত উচ্চ ন্যায়ালয়ৰ নিৰ্দেশনা অনুসৰি আপীলকাৰী চৰকাৰে সেই প্ৰমাণপত্ৰখন বিবেচনা কৰি জানিব পাৰিছিল যে উত্তৰদাতা স্বাধীনতা সংগ্ৰামী নাছিল আৰু সেয়েহে স্বাধীনতা সংগ্ৰামীৰ পেঞ্চন আঁচনিৰ অধীনত পেঞ্চন পোৱাৰ তেওঁ অধিকাৰী নাছিল। উত্তৰদাতাসকলে এই লেখ আবেদনত সেই সিদ্ধান্তক পুনৰ প্ৰত্যাহ্বান জনাইছে। উচ্চ ন্যায়ালয়ে উক্ত বিবাদিত আদেশত উল্লেখ কৰিছিল যে উত্তৰদাতাসকলে দাখিল কৰা প্ৰমাণৰ প্ৰতি লক্ষ্য ৰাখি তেওঁলোকক স্বাধীনতা সংগ্ৰামী বুলি ঘোষণা কৰিব লাগে। সেই অনুসৰি, লেখ আবেদনখন মঞ্জুৰ কৰা হৈছিল। সেয়েহে, বিশেষ অনুমতিৰ দ্বাৰা এই আপীল দাখিল কৰা হৈছে।

প্ৰমাণৰ পৰ্যাপ্ততাৰ সন্দৰ্ভত, *মুকুন্দ লাল ভাণ্ডাৰী আৰু অন্যান্য বনাম ভাৰত চৰকাৰ আৰু অন্যান্য* গোচৰত দিয়া ৰায়ত [1993]Supp. 3 SCC 2 ] এই আদালতে মত প্ৰকাশ কৰিছিল যে

চৰকাৰক দাখিল কৰিবলগীয়া নথিপত্ৰসমূহ উক্ত আঁচনিখনতেই উল্লেখ আছে। আবেদনকাৰীসকলে তেওঁলোকৰ দাবীৰ সমৰ্থনত দাখিল কৰা নথিপত্ৰবোৰ পৰীক্ষা কৰা আৰু সেইবোৰৰ শুদ্ধতা নিশ্চিত কৰাটো এই আদালতৰ বাবে সম্ভৱ নহয়। সেইটো চৰকাৰৰহে দায়িত্ব। সেয়েহে, আমি সেই বিষয় অনুসৰি নিৰ্দেশনা দিম।

এইটো দেখা গৈছে যে উচ্চ ন্যায়ালয়ে পূৰ্বৰ লেখ আবেদনত চৰকাৰক নিৰ্দেশ দিছিল আৰু সেই নিৰ্দেশ অনুসৰি ভাৰত চৰকাৰে উত্তৰদাতাসকলে প্ৰমাণ হিচাপে দাখিল কৰা নথিপত্ৰবোৰ বিবেচনা কৰিছিল আৰু এই সিদ্ধান্তত উপনীত হৈছিল যে সেই নথিপত্ৰবোৰ উত্তৰদাতাসকলে কাৰাবাস ভোগ কৰিছিল বুলি সিদ্ধান্ত ল'বলৈ পৰ্যাপ্ত নহয়। উচ্চ ন্যায়ালয়ে উক্ত প্ৰমাণ বিবেচনা কৰি ইয়াক পৰ্যাপ্ত বুলি জানিব পাৰিছিল, যিটো উচ্চ ন্যায়ালয়ে প্ৰাথমিকভাৱেও কৰিব নোৱাৰে।

গতিকে আপীল মঞ্জুৰ কৰা হল আৰু উচ্চ ন্যায়ালয়ে প্ৰদান কৰা আদেশ বাতিল কৰা হয়। লেখ আবেদনখন নিষ্পত্তি কৰা হল কিন্তু কোনো ব্যয়ৰ ক্ষেত্ৰত কোনা আদেশ দিয়া নহল ।

আপীল মঞ্জুৰ কৰা হল ।

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

(“স্থানীয় ভাষালৈ অনুদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাবে অন্য ক্ষেত্ৰত অনুদিত ৰূপ ব্যৱহৃত নহ’ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হ’ব।”)